# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-07-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যখনৰ বিভিন্ন খণ্ডৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰে। অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ অসম ভ্ৰমণৰ বাবে ৰাজ্যবাসীয়ে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। ড০ শৰ্মাই লগতে নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰি গহপুৰত নিৰ্মাণ হ'বলগীয়া কনকলতা বৰুৱা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কাৰ্যসূচীলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতে বৈঠকত মিলিত হৈ অসমৰ খনিজ সম্পদৰ সম্ভাৱনাময় ক্ষেত্ৰখনৰ বিকাশৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে।

০০০০

গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ খেলপথাৰত সম্পূৰ্ণতা অভিযান সন্মান সমাৰোহ অনুষ্ঠিত হয়। নীতি আয়োগে আকাংক্ষিত জিলা আৰু আকাংক্ষিত উন্নয়ন খণ্ডৰ তালিকাত অন্তৰ্ভুক্ত কৰা গোৱালপাৰা আৰু লখিপুৰ উন্নয়ন খণ্ডত আয়োগৰ নিৰ্দেশনা অনুসৰি কেইবাটাও দিশত গুৰুত্ব প্ৰদান কৰা হৈছে। কৃষি, শিক্ষা, স্বাস্থ্য আৰু পৰিপুষ্টি, সামাজিক ন্যায় আৰু আন্তঃগাথনি উন্নয়নৰ ক্ষেত্ৰত গোৱালপাৰা জিলা আৰু লখিপুৰ উন্নয়ন খণ্ডত উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে। এই ক্ষেত্ৰত যিসকল বিষয়া কৰ্মচাৰীয়ে জিলাখনক সফলতা লাভ কৰাত অহোপুৰুষাৰ্থ কৰিছে তেওঁলোকক আজিৰ অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়।

ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগতো আজি ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত সম্পূৰ্ণতা অভিযান সন্মান সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানত ধুবুৰীৰ বিভিন্ন আত্মসহায়ক গোট আৰু উদ্যমী যুৱক-যুৱতীসকলে উৎপাদন কৰা সামগ্ৰীসমূহ প্ৰদৰ্শন কৰে। আজিৰ অনুষ্ঠানতে কেইবাগৰাকীও ব্যক্তিক জিলা প্ৰশাসনৰ তৰফৰ পৰা সন্মান জনোৱা হয়।

০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত ১৫ দিনীয়া বিধানসভা সমষ্টি ভিত্তিত আয়োজন কৰা গ্ৰীষ্মকালীন কৰ্মশালাৰ আজি সামৰণি পৰে। এই উপলক্ষে আজি ৰঙাপাৰাৰ বৰজুলি সমুহীয়া শ্ৰমিক উন্নয়ন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এলানি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ৰঙাপাৰা বিধানসভা সমষ্টিৰ বিধায়ক কৃষ্ণকমল তাতি, শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

হোজাই জিলা শ্ৰীমন্ত শংকৰদেৱ নগৰৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি এখন সভা অনুষ্ঠিত হয়। সভাত ভিক্ষাৰীমুক্ত, প্লাষ্টিকমুক্ত আৰু পৰিষ্কাৰ চহৰ হিচাপে হোজাইক গঢ় দিবলৈ আলোচনা কৰা হয়। সভাত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীকে ধৰি পৌৰসভা আৰু প্ৰশাসনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০

গোৱালপাৰা জিলা প্ৰশাসনে জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ খেলপথাৰত ছদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা আকাংক্ষা হাট নামেৰে বিশেষ বজাৰৰ ব্যৱস্থা কৰিছে। জিলাখনৰ থলুৱা উৎপাদনকাৰীসকলক উৎসাহিত কৰাৰ লগতে এখন উপযুক্ত বজাৰৰ ব্যৱস্থা কৰিবলৈ এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আজি আকাংক্ষা হাটৰ উদ্বোধন কৰে। এই  বজাৰখনত ৰাষ্ট্ৰীয় নগৰ জীৱিকা অভিযান আৰু অসম ৰাজ্যিক  গ্ৰামীন জীৱিকা অভিযানৰ আত্ম সহায়ক গোট, থলুৱা উৎপাদক গোট, ক্ষুদ্ৰ উদ্যোগ, কৃষি তথা অন্য থলুৱা কুটিৰ শিল্পৰ লগত জড়িত ব্যক্তিসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ  প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

০০০০

কোকৰাঝাৰ সদৰ থানাই নাগৰিক সমিতিৰ সহযোগত আজি কোকৰাঝাৰ আৰক্ষী চকী আৰু ৰাস ফিল্ডত গছপুলি ৰোপণ কাৰ্যসূচীৰ আয়োজন কৰে। পৰিবেশ সংৰক্ষণ তথা সেউজ পৰিবেশৰ প্ৰসাৰৰ লক্ষ্যৰে আৰম্ভ কৰা এই কাৰ্যসূচীত পূব কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰী, কোকৰাঝাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ ফুকন, নাগৰিক সমিতিৰ সদস্য দেটচুং বসুমতাৰীকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে অংশ লয়। কাৰ্যসূচীত ভাষণ দি বিধায়ক ইছলাৰীয়ে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱসমূহৰ পৰা হাত সাৰিবলৈ এনে ধৰণৰ গছপুলি ৰোপণ কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০

ধুবুৰী জিলাৰ গৌৰীপুৰ আৰক্ষীয়ে নকল সোণৰ বিৰুদ্ধে অভিযান চলাই আজি তাৰঘাট অঞ্চলৰ পৰা নকল সোণসহ এজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে লোকজনৰ পৰা নকল সোণৰ দুটা টুকুৰা জব্দ কৰে। ধৃত লোকজন দক্ষিণ গেৰামাৰী গাঁৱৰ মুন্নাফ আলী বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে অধিক তদন্তৰ বাবে লোকজনক জেৰা অব্যাহত ৰাখিছে।

০০০০

যোৰহাট জিলাৰ মৰিয়ণিৰ দেবেৰাপাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃতিকমল শইকীয়াৰ নেতৃত্বত আৰক্ষীৰ এটা দলে আজি বিয়লি চলোৱা সুৰা বিৰোধী অভিযানত অবৈধ সুৰাসহ এজন সৰবৰাহকাৰীক আটক কৰা হয়।

০০০০

যোৰহাট জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু যোৰহাট আৰ্ছাৰী সন্থাৰ যৌথ উদ্যোগত যোৰহাট ষ্টেডিয়ামৰ প্ৰাঙ্গনত আৰ্ছাৰী প্ৰশিক্ষণ শিবিৰ আজিৰে পৰা আৰম্ভ হৈছে। ৫০ ৰো অধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰিছে। প্ৰশিক্ষণৰ দ্বাৰা প্ৰশিক্ষাৰ্থীসকল উপকৃত হোৱাৰ লগতে নতুনকৈ গঠন কৰা যোৰহাট আৰ্ছাৰী সন্থাক নতুন গতি দিব বুলি উদ্যোক্তাসকলে আশা কৰিছে।

০০০০

গুৱাহাটীৰ আৰ জে বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত আজি ৪০ সংখ্যক আন্তঃজিলা টাইকোৱাণ্ডো প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতাত ৩৬ টা দলৰ ১২ শতাধিক খেলুৱৈ আৰু কৰ্মকৰ্তাই অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনত সদৌ অসম ভিত্তিত ল'ৰা-ছোৱালীৰ কেডেট, জুনিয়ৰ আৰু ছিনিয়ৰ পুৰুষ-মহিলা শাখা অন্তৰ্ভুক্ত কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত অসম টাইকোৱাণ্ডো সন্থাৰ সভাপতি তথা বিধায়ক বলীন চেতিয়াসহ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ঃঃ সমাপ্ত ঃঃ